-: প্লেটোৰ দৰ্শন :-

06/05/26

* প্লেটোৰ ধাৰণা বা আকাৰ সম্বন্ধীয় মতবাদ [Doctrine of the ideas or form).

Ans:- প্লেটোৰ দাৰ্শনিক তত্ত্বৰোৰৰ ভিতৰত সৰ্বোত্তম তত্ত্ব হৈছে তেওঁৰ ধাৰণাতত্ত্ব বা আকাৰতত্ত্ব। প্লেটোৰ দৰ্শনত জাতি বা আকাৰ, ধাৰণা আৰু সামান্য সমাৰ্থক। প্লেটোৰ ধাৰণাতত্ত্ব বা আকাৰতত্ত্বক বুজিবলৈ হ'লে আমি প্ৰথমতে 'ধাৰণা' শব্দটোৰ অৰ্থ বিচাৰিব লাগিব। সাধাৰণতে ধাৰণা বুলিলে বিষয়ীগত প্ৰত্যয় বুজায় যি মানুহৰ মনত থাকে। গতিকে ধাৰণা মনোগত, ধাৰণা ব্যক্তি কেন্দ্ৰিক। কিন্তু প্লেটো ধাৰণা শব্দটো ভিন্ন অৰ্থত ব্যৱহাৰ কৰিছে। এই অৰ্থত ধাৰণা হ'ল বিষয়গত স্বৰূপ বা সাৰ্বভৌম অৰ্থাৎ এই বস্তু-স্বৰূপ মননিৰপেক্ষ-মনাতিৰিক্তভাৱে ইয়াৰ প্ৰকৃত সত্তা আছে। এই ধাৰণা বিশেষ বিশেষ বস্তুৰ দৰে দেশ আৰু কালত অৱস্থান নকৰে, ই দেশ-কালাতীত। গতিকে ধাৰণা হ'ল নিত্য, শাশ্বত, অপৰিৱৰ্তনীয়, অজড়, পূৰ্ণ স্বৰূপ বা সত্তা।

ৰাছেলৰ মতে, প্লেটোৰ ধাৰণাতত্ত্ব আংশিকভাৱে যৌক্তিক আৰু আংশিকভাৱে অধিবিদ্যাগত। এই মতবাদৰ যৌক্তিক অংশ সাৰ্বিক শব্দৰ অৰ্থ সংক্ৰান্ত দিশলৈ আলোচনা কৰে। ৰাছেলে মেকুৰীৰ দৃষ্টান্ত লৈ বিষয়টো আলোচনা কৰিছে। ৰাছেলৰ মতে, এনে বহুতো বিশেষ প্ৰাণী আছে যাৰ এটা ক্ষেত্ৰত আমি সঁচাকৈ কব পাৰোঁ 'এইটো হয় এটা মেকুৰী'। ইয়াত আমি 'মেকুৰী' শব্দৰ দ্বাৰা বিশেষ বিশেষ মেকুৰীক নুবুজাই ভিন্ন মেকুৰীক বুজাওঁ

প্লেটো তেওঁৰ ৰিপাব্লিক সংলাপৰ সৰ্বশেষ পুস্তকত ধাৰণাতত্ত্বক সুস্পষ্টভাৱে ব্যাখ্যা কৰিছে। প্লেটোৰ মতে, যেতিয়া একাধিক বস্তু মিলি এটা অভিন্ন নামৰ নিৰ্দেশ কৰে, তেতিয়া সেই নামৰ অন্তৰালত নিশ্চয় এটা অভিন্ন ধাৰণা থাকে। গতিকে উপৰোক্ত আলোচনাৰ এইটো বোধ হয় যে আকাৰ বা ধাৰণা আদৰ্শ আৰু সেই আদৰ্শ অনুসৰি বিশেষ বিশেষ বস্তুবোৰ থাকে। ধাৰণাৰ জ্ঞান লাভৰ উৎস হ'ল বুদ্ধি আৰু ইন্দ্ৰিয় অভিজ্ঞতাৰে লাভ কৰা হয় যি জ্ঞান সি বিশেষ বিশেষ বস্তু। এই বিশেষ বস্তুবোৰ ধাৰণা বা আকাৰ প্ৰতিলিপি বা নকল। ধাৰণাবোৰৰ পূৰ্ণ সত্তা আছে, কিন্তু বিশেষবোৰ সত্তাহীন, অবাস্তৱ। ইন্দ্ৰিয় প্ৰত্যক্ষৰ বিষয়বোৰ সত্তা আৰু অসত্তাৰ মধ্যৱৰ্তী।

# ধাৰণাতত্ত্বৰ সপক্ষে যুক্তি :- [Arguments in favour of ideas.].

১. পূৰ্ণতাৰ ধাৰণাৰ পৰাও ধাৰণা বা আকাৰৰ অস্তিত্ব প্ৰমাণিত হয়। এটা দিশৰ পৰা ইন্দ্ৰিয়গ্ৰাহ্য বস্তুসমূহক পূৰ্ণ আৰু আন এটা দিশৰ পৰা অপূৰ্ণ যেন লাগে। যেনে- প্ৰিয়ংকা চোপ্ৰাক এটা দিশৰ পৰা সুন্দৰী বুলি জানোঁ, কিন্তু তাতকৈও সুন্দৰী নাৰীৰ কথা চিন্তা কৰিব পাৰি।

২. প্লেটোৰ ধাৰণাতত্ত্বৰ সপক্ষে আন এটা যুক্তি লক্ষ্য কৰা যায় তেওঁৰ 'Meno' সংলাপত। যুক্তিটো সহজাত ধাৰণাৰ অনুৰূপ। এই যুক্তি অনুসাৰে জন্মৰ আগতে মানুহৰ ধাৰণা বা আকাৰৰ জ্ঞান থাকে। জন্মৰ পূৰ্বতে আত্মা এইবোৰ ধাৰণা সম্পৰ্কে স্পষ্টভাৱে জ্ঞাত হয় যদিও জন্মৰ পৰৱৰ্তীকালত এইবোৰ জ্ঞান ধাৰণা অস্পষ্টৰূপে থাকে।

# ধাৰণা বা আইডিয়াৰ বৈশিষ্ট্য :- [Characteristics of ideas or forms].

P.TO

১. ধাৰণাবোৰ সামান্য। এটা ধাৰণা কোনো বিশেষ বস্তু নহয়। 'ঘোঁৰা'ৰ ধাৰণা ইটো-সিটো বিশেষ বিশেষ ঘোঁৰা নহয়। এইটো সকলো ঘোঁৰাৰ সাধাৰণ ধাৰণা। এইটো হ'ল সাৰ্বিক ঘোঁৰা। আধুনিক যুগত এই যুক্তিতে ধাৰণাবোৰক প্ৰায় 'সামান্য' বুলি কোৱা হয়।

২. প্ৰত্যেক ধাৰণা এটাকৈ ঐক্য। ই বহুৰ মাজত এক বিশেষ বিশেষ মানুহ বহু থাকিলেও 'মানুহ' ধাৰণা এটাই। প্ৰত্যেকটো শ্ৰেণীৰ বিপৰীতে একো একোটা ধাৰণা আছে। বিশেষ বিশেষ বস্তুবোৰ বহু হ'লেও সিহঁতৰ মাজৰ সাধাৰণ উপাদানেৰে ধাৰণা গঠিত। গতিকে ধাৰণা এক।

৩. ধাৰণাবোৰ অপৰিৱৰ্তনী আৰু অবিনশ্বৰ। বিশেষ বিশেষ ব্যক্তি মানুহ প্ৰতিদিন জন্মগ্ৰহণ কৰে আৰু মৃত্যু বৰণ কৰে। আকৌ, জীয়াই থকাকালীন সিহঁতৰ বহু পৰিৱৰ্তন হয়।

৪. ধাৰণাবোৰ স্ব স্ব বিষয়ত এটা পৰমপূৰ্ণ আৰু ইয়াৰ পূৰ্ণতা সত্তাৰ অনুৰূপ। পূৰ্ণ মানুহ হ'ল সামান্য মানুহৰ আদৰ্শ-মানুহৰ ধাৰণাৰ আদৰ্শ। বিশেষ বিশেষ মানুহ কম-বেছি পৰিমাণে আদৰ্শ মানুহৰ পৰা বিচ্যুত এক বিকৃত বা অপূৰ্ণ ৰূপ।

৫. ধাৰণাবোৰ দেশ-কালৰ ঊৰ্দ্ধত। ধাৰণাবোৰ দেশ আৰু কালত থাকিলে সিহঁতে নিশ্চয় কোনো বিশেষ স্থানত বিশেষ সময়ত থাকিব। তেনেহ'লে ইয়াৰ অৰ্থ হ'ব ধাৰণাবোৰ বিশেষ বিশেষ বস্তু, সামান্য নহয়।

## ধাৰণাতত্ত্বৰ সমালোচনা:- [Criticism of Plato's Theory of ideas].

১. প্লেটোৰ ধাৰণাতত্ত্বত দ্বৈতবাদৰ সৃষ্টি হৈছে। প্লেটোৰ ভাববাদ বস্তুক ব্যাখ্যা কৰিবলৈ যদি ঈশ্বৰৰ অৱতাৰণা কৰে, তেনেহ'লে জগতকো আলোচনাৰ মাজত আনিব লাগিব।

২. প্লেটোৰ দৰ্শনত ইন্দ্ৰিয়-সংবেদনৰ কোনো স্থান নাই। কিন্তু ইন্দ্ৰিয়-সংবেদন অবিহনে কেৱল বুদ্ধিৰে জ্ঞান লাভ কৰিব নোৱাৰি। জ্ঞানৰ বাবে বুদ্ধিৰ দৰে ইন্দ্ৰিয়-সংবেদনৰো প্ৰয়োজন আছে। ইন্দ্ৰিয় আৰু বুদ্ধি পৃথক হ'লেও সিহঁতৰ উৎপত্তিস্থল এক।